# চি পি টি ডিৰ বাবে স্বত্বসম্পৰ্কীয় মূলকথা

| ক্ৰ নং | বিষয় / প্ৰভাৱ | প্ৰাপক | স্বত্বগত নিৰ্বাচন / বাছনি |
|---|---|---|---|
| ১ | টাৱাৰৰ আধাৰৰ তলৰ মাটি-কালি | গৰাকী | প্ৰকৃত দখল নোলোৱাকৈ / মাটিৰ গৰাকীস্বত্ব সলনি নকৰাকৈ ৰাজহ কৰ্তৃপক্ষই আলোচনাৰ যোগেদি নিৰ্ধাৰণ কৰি দিয়ামতে বজাৰ-মূল্যত মাটিৰ দামৰ ১০০% ধন। |
| ২ | লাইন কৰিডৰৰ বাবে ধ্বংস হোৱা / ক্ষতি হোৱা খেতি আৰু গছ | গৰাকী / ভাৰাতীয়া / আধি লৈ খেতি কৰা লোক / লীজ লোৱা লোক | কৃষিশস্যৰ বাবে প্ৰকৃত কৃষকলৈ বজাৰ মূল্যত ক্ষতিপূৰণ আৰু ফল লগা গছৰ* বাবে আঠ বছৰত হ'বলগীয়া আয়। গছৰ পৰা পাব পৰা সকলো কাঠ* গৰাকীক ৰাখিবলৈ অনুমতি দিয়া হ'ব। |
| ৩ | অন্যান্য ক্ষতি (যদিহে প্ৰযোজ্য) | সকলো ক্ষতিগ্ৰস্ত পক্ষ (এ পি) | সম্পৰ্কিত কৰ্তৃপক্ষই নিৰ্ধাৰণ কৰি দিয়া প্ৰকৃত খৰচ |
| ৪ | গাঁথনিৰ ক্ষতি | | |
| (i) | ঘৰ | স্বত্বাধিকাৰী | পৰিবৰ্ত খৰচৰ হিচাপত বিত্তীয় ক্ষতিপূৰণ (উদ্ধাৰ কৰিব পৰা বস্তুৰ মূল্য বাদ দি)। লগতে যোগ হ'ব ঘৰ সজাৰ কাৰণে ২৫,০০০ টকাৰ সাহায্য (দুৰ্বল শ্ৰেণীৰ ঘৰৰ ক্ষেত্ৰত ভাৰত চৰকাৰৰ নিয়মৰ আধাৰত) আৰু তলৰ কেটেগৰি-৫ত উল্লেখ কৰাৰ দৰে স্থানান্তৰ ধন। |
| (ii) | ঘৰ / প্ৰতিষ্ঠান / গোহালি | ব্যক্তি / স্বত্বাধিকাৰী | বিত্তীয় ক্ষতিপূৰণ আৰু লগতে যোগ হ'ব বেলেগ আবাস / দোকান আদি সাজিবৰ বাবে ১০,০০০ টকা আৰু তলৰ কেটেগৰি-৫ত উল্লেখ কৰাৰ দৰে স্থানান্তৰ ধন। |
| ৫ | ওপৰৰ (i) আৰু (ii) ৰ ক্ষেত্ৰত সলনি কৰোতে / পৰিবহন কৰোতে হ'ব পৰা ক্ষতি | পৰিয়াল / গোট | আগৰ স্থানৰ পৰা পৰিবৰ্ত স্থানলৈ বস্তুসমূহ পৰিবহন কৰোতে/ গৰু-মহ আদি নিওতে পৰিবহনৰ সুবিধা অথবা তাৰ বাবে হোৱা খৰচ। |
| ৬ | জনজাতি / লোকচান হ'ব পৰা এ পি (ক্ষতিগ্ৰস্ত লোক) | লোকচান হ'ব পৰা এ পি[১] (ক্ষতিগ্ৰস্ত লোক)[1] | একম্যাদী অতিৰিক্ত মোটামুটি সাহায্য। সাহায্যৰ ধনৰ পৰিমাণ ৰাজ্যিক কৰ্তৃপক্ষ / এ ডি চি / ভি চিয়ে ধাৰ্য্য কৰি দিব আৰু এই মান মুঠ ক্ষতিপূৰণৰ ২৫%তকৈ বেছি হ'ব নোৱাৰিব। |


[1] ১ - ক্ষতিগ্ৰস্ত হ'ব পৰা এ পিৰ (ক্ষতিগ্ৰস্ত লোক) ভিতৰত অনুসূচীত এলেকাত বাস কৰা অনুসূচিত জনজাতি / শাৰীৰিকভাবে বাধাগ্ৰস্ত লোকসকল / প্ৰতিবন্ধী পৰিয়াল আদি পৰিব।

# <u>সকলো সম্পৰ্কিত  ব্যক্তি / সংস্থাৰ সৈতে আলোচনা</u>

যিকোনো নীতি-নিয়ম নিৰ্ধাৰণ কৰা পৰ্য্যায়ৰ ক্ষেত্ৰত সুসংগঠিত আলোচনা হ'ল এক অপৰিহাৰ্য্য অংশ। সেইবাবে ই এছ পি পি এফৰ বিকাশৰ আৰম্ভণিৰ পৰাই এই কাম কৰিবলৈ লোৱা হৈছে। বিভিন্ন ব্যক্তিৰ লগত সভা অনুষ্ঠিত কৰাৰ উপৰি ইয়াৰ লগত সম্পৰ্কিত ব্যক্তি আৰু প্ৰতিষ্ঠানৰ লগতো সময়ে সময়ে আলোচনা কৰি থকা হৈছে। সেইবোৰৰ সবিশেষ তলত দিয়া হ'লঃ

| ক্ৰ নং | তাৰিখ | আলোচনাৰ স্থান | অংশগ্ৰহণকাৰী | অংশ গ্ৰহণ কৰা ব্যক্তিৰ সংখ্যা |
|---|---|---|---|---|
| ১ | ৯ আৰু ১০ জানুৱাৰী' ২০১৪ | পাৱাৰগ্ৰিড এইচ ভি ডি চি কাৰ্য্যালয়, গুৱাহাটী | ৬ টা ৰাজ্যিক প্ৰতিষ্ঠানৰ প্ৰতিনিধি, পাৱাৰগ্ৰিড আৰু বিশ্ব বেংক | ২৬ জন |
| ২ | ১০ জানুৱাৰী' ২০১৪ | হৰিশিঙা, ওদালগুৰি | হৰিশিঙা নগৰৰ অধিবাসী | ৪ জন |
| ৩ | ২৬ আগষ্ট' ২০১৪ | চিলাপথাৰ, ধেমাজী | চিলাপথাৰ নগৰৰ অধিবাসী | ৫ জন |
| ৪ | ২৭ আগষ্ট' ২০১৪ | চাবিপুল, গুবাহাটী | চাবিপুলৰ অধিবাসী | ৩ জন |
| ৫ | ৩ ছেপ্টেম্বৰ' ২০১৪ | এ ই জি চি এল কাৰ্য্যালয়, গুৱাহাটী | এ ই জি চি এল, এ পি ডি চি এল আৰু পাৱাৰগ্ৰিডৰ প্ৰতিনিধি | ১০ জন |
| ৬ | ৫ ডিচেম্বৰ' ২০১৪ | এ ই জি চি এল কাৰ্য্যালয়, গুৱাহাটী | এ ই জি চি এল, এ পি ডি চি এল, পাৱাৰগ্ৰিড আৰু বিশ্ব বেংকৰ প্ৰতিনিধি | ১৮ জন |
| ৭ | ২৪ মাৰ্চ' ২০১৫ | হোটেল ব্ৰহ্মপুত্ৰ অশোক, গুৱাহাটী | ৬ টা ৰাজ্যিক প্ৰতিষ্ঠানৰ প্ৰতিনিধি, পাৱাৰগ্ৰিড আৰু বিশ্ব বেংক | ৪০ জন |

ওপৰোক্ত আলোচনাবোৰৰ পাছত, সেইবোৰত গ্ৰহণ কৰা প্ৰস্তাৱ / সিদ্ধান্তবোৰক এক চূড়ান্ত ৰূপ দিবলৈ  ২০১৫ চনৰ ২০ মে'ত গুৱাহাটীত এক ৰাজ্যিক আলোচনাচক্ৰ অনুষ্ঠিত কৰা হৈছিল। তাৰ আগতেই সম্পৰ্কিত ব্যক্তি / সংস্থাসমূহৰ পৰা মূল্যবান মতামত, তথ্য আৰু পৰামৰ্শ পাবৰ বাবে খচৰা এ এছ পি পি এফৰ লগতে কাৰ্য্যকৰী সাৰাংশ স্থানীয় ভাষাত (অসমীয়া) প্ৰস্তুত কৰি সেয়া এ ই জি চি এল / এ পি ডি চি এলৰ ৱেবছাইটত আপল'ড কৰা হৈছিল। তদুপৰি সেই নথিবোৰৰ ছপা কপি এ ই জি চি এল / এ পি ডি চি এলৰ কাৰ্য্যালয়ত  প্ৰসংগ-নথি হিচাপে ৰখা হৈছিল।


অসম শক্তি বিতৰণ কোম্পানী লিমিটেড

ৰাজহুৱা জাননী

অসম শক্তি বিতৰণ কোম্পানী লিমিটেড (এ-পি-ডি-চি-এল) আৰু অসম বিদ্যুৎ গ্ৰীড নিগম লিমিটেডে (এ-ই-জি-চি-এল) অহা ২০-০৫-২০১৫ তাৰিখে দিনৰ ১১ বজাত নেডফি কনভেনশ্যন চেন্টাৰ, জি-এছ-ৰোড, দিশপুৰ, গুৱাহাটীত "পৰিবেশ আৰু সামাজিক নীতি আৰু পদ্ধতিৰ ফ্ৰেমৱৰ্ক (ই-এছ-পি-পি-এফ)" ৰ ওপৰত এখন ৰাজহুৱা পৰামৰ্শমূলক সভা অনুষ্ঠিত কৰাৰ আয়োজন কৰিছে। ষ্টেট ইউটিলিটীৰ হকে পি-জি-চি-আই-এল আৰু বিশ্ব বেংকৰ সহযোগত নকৈ গঢ় লোৱা উক্ত বিষয়ৰ লগতে উত্তৰ-পূৰ্বাঞ্চল পাৱাৰ চিষ্টেম ইমপ্ৰুভমেণ্ট প্ৰজেক্ট (বিশ্ব বেংক আৰু ভাৰত চৰকাৰৰ অৰ্থ সাহাৰ্য্য প্ৰাপ্ত) ৰ সন্দৰ্ভতো উক্ত সভাত আলোচনা কৰা হ'ব আৰু এই সম্পৰ্কত পি-জি-চি-আই-এলে কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহন কৰিব।

সেয়ে সকলো সংশ্লিষ্ট ব্যক্তিসকলক বা তেওঁলোকৰ কৰ্তৃত্বপ্ৰাপ্ত প্ৰতিনিধি সকলক উল্লেখিত তাৰিখ, সময় আৰু স্থানত উপস্থিত থাকিবলৈ নিমন্ত্ৰণ জনোৱা হ'ল আৰু বিষয়টোৰ ওপৰত মূল্যবান পৰামৰ্শ আগবঢ়াবলৈকো তেওঁলোকক আহ্বান জনোৱা হ'ল।

সংশোধিত ই-এছ-পি-পিৰ প্ৰতিলিপি আৰু সংক্ষিপ্তৰূপত তথ্য-পাতি (অসমীয়াত অনুদিত) এ-ই-জি-চি-এলৰ ৱেবচাইট "www.aegcl.co.in" আৰু এ-পি-ডি-চি-এলৰ ৱেবচাইট "www.apdcl.gov.in" ত উপলব্ধ হ'ব।

স্বাক্ষৰ
সঞ্চালক (পি-এম-ইউ)
অসম শক্তি বিতৰণ কোম্পানী লিমিটেড
বিজুলী ভৱন, পল্টন বজাৰ, গুৱাহাটী-০১


ASSAM POWER DISTRIBUTION COMPANY LTD

PUBLIC NOTICE

A public consultation on "ENVIRONMENT AND SOCIAL POLICY & PROCEDURES FRAMEWORK" (ESPPF), newly developed by PGCIL & World Bank on behalf of State Utility, is going to be organised by Assam Power Distribution Company Ltd (APDCL) & Assam Electricity Grid Corporation Ltd (AEGCL) on 20-05-2015 at 11-00 A.M. at NEDFI Convention Centre, G S Road, Dispur, Guwahati, in connection with NER Power System Improvement Project funded by World Bank and GOI and to be implemented by PGCIL.

All the Stake holders or their authorized representatives are invited to kindly make themselves available in the afore-mentioned date and venue and offer their valuable/suitable suggestions on the subject.

Copy of the Revised ESPP and Executive Summary document (translated into Assamese Language) can be accessed at AEGCL website (www.aegcl.co.in) as well as APDCL website (www.apdcl.gov.in).

Sd/-
Director (PMU)
APDCL, Bijulee Bhawan,
Paltanbazar, Guwahati-01

APS/2015/37

সম্পৰ্কিত সকলো লোকৰ লগতে সাধাৰণ ৰাইজকো আলোচনা-চক্ৰৰ তাৰিখ, স্থান আৰু সময় সম্পৰ্কত আগতীয়াকৈ জনোৱা হৈছিল। স্থানীয় ইংৰাজী বাতৰি কাকত (দ্য আছাম ট্ৰিবিউন) আৰু অসমীয়া বাতৰি কাকত (অসমীয়া খবৰ) আদিত এই সম্পৰ্কত ২০১৫ চনৰ ৭ মে'ত ৰাজহুৱা জাননী প্ৰকাশ কৰা হৈছিল। তদুপৰি ৰাজ্যৰ বিভিন্ন চৰকাৰী বিভাগ, একাডেমী /

প্ৰতিষ্ঠান, উল্লেখযোগ্য এন জি অ, প্ৰচাৰ মাধ্যম, প্ৰকল্পৰ দ্বাৰা প্ৰভাবিত হ'ব পৰা বিভিন্ন ব্যক্তি আদিলৈ বেলেগে নিমন্ত্ৰণী পত্ৰও প্ৰেৰণ কৰা হৈছিল।

গুৱাহাটীৰ নেডফি কনভেনছন চেন্টাৰত এই আলোচনা-চক্ৰৰ আয়োজন কৰা হৈছিল। তাত বিভিন্ন ক্ষেত্ৰৰ প্ৰায় ৬৯ জন লোকে অংশ গ্ৰহণ কৰিছিল। তাৰ ভিতৰত আছিল সাধাৰণ লোক, প্ৰকল্পৰ দ্বাৰা প্ৰভাবিত হ'ব পৰা ব্যক্তি, এন জি অ', ইলেকট্ৰনিক আৰু ছপা প্ৰচাৰ মাধ্যমৰ প্ৰতিনিধি, একাডেমী আৰু প্ৰতিষ্ঠান, চৰকাৰী বিষয়া, স্থানীয় প্ৰশাসন, ৰাজ্যিক প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ, গুৱাহাটী মেট্ৰ'পলিটান ডেভেলপমেন্ট অথৰিটিৰ প্ৰতিনিধি আদি। এ ই জি চি এল, এ পি ডি চি এল, পাৱাৰগ্ৰিড আৰু বিশ্ব বেংকৰ প্ৰতিনিধিসকলো তাত উপস্থিত আছিল। আলোচনা-চক্ৰত সভাপতিত্ব কৰিছিল অসম শক্তি বিতৰণ কোম্পানী লিমিটেডৰ পৰিচালন সঞ্চালক শ্ৰী আৰ এল বৰুৱাই আৰু তেওঁ এই আলোচনা-চক্ৰ সঞ্চালনাও কৰিছিল ।






শ্ৰী আৰ এল বৰুৱাই আদৰণি ভাষণেৰে আলোচনা-চক্ৰ আৰম্ভ কৰে। আলোচনাৰ পৰিচালনাৰ দায়িত্ব তেঁৱেই বহন কৰে। শ্ৰী




বৰুৱাই NERPSIP ৰ প্ৰস্তাৱিত প্ৰকল্পৰ বিষয়ে আলোকপাত কৰে আৰু উপস্থিত ব্যক্তিসকলক অৱগত কৰে যে ৰাজ্যৰ শক্তি আন্তঃগাঁথনি শক্তিশালী কৰিবলৈ এই প্ৰকল্পৰ এক অংশ হিচাপে ১৪৭৩.৮০ কোটি টকা বিনিয়োগ কৰা হ'ব। ভাৰত চৰকাৰে ২৪x৭ পৰ্য্যায়ত বিদ্যুত শক্তি উপলব্ধ কৰিবলৈ যি আঁচনি গ্ৰহণ কৰিছে, তাৰ পৰিপ্ৰেক্ষিতত এই প্ৰকল্পৰ গুৰুত্ব যে যথেষ্ট বৃদ্ধি পাইছে, তেওঁ সেই কথাও ব্যক্ত কৰে। তেওঁ কয় যে এ ই জি চি এল আৰু এ পি ডি চি এলে ইতিমধ্যে এ ডি বিৰ পুঁজিৰ সহায়েৰে একে ধৰণৰ প্ৰকল্প ৰূপায়িত কৰিছে আৰু তাৰ জৰিয়তে বিদ্যুৎ আন্তঃগাঁথনি আগতকৈ শক্তিশালী কৰিবলৈ সক্ষম হৈছে। তেওঁ দৃঢ়ভাবে মত পোষণ কৰে যে কয় যে এই প্ৰস্তাৱিত প্ৰকল্পই এই আন্তঃগাঁথনি অধিক শক্তিশালী কৰিব। শ্ৰী বৰুৱাই ই এছ পি পি এফৰ মূল নীতিবোৰৰ বিষয়েও কয়। সভাত উপস্থিত লোকসকলক তেওঁ জনায় যে এতিয়া যি ই এছ পি পি এফ প্ৰস্তুত কৰা হৈছে, সেয়া খচৰা পৰ্য্যায়তে আছে আৰু এই আলোচনা-চক্ৰৰ জৰিয়তে সম্পৰ্কিত ব্যক্তি / সংস্থাসমূহৰ পৰা যি মতামত আৰু পৰামৰ্শ পোৱা যাব, সেইবোৰ বিবেচনা কৰিহে ই এছ পি পি এফক এক চূড়ান্ত ৰূপ দিয়া যাব।

এ ই জি চি এলৰ পৰিচালন সঞ্চালক শ্ৰী জি কে দাসে তেওঁৰ বক্তব্যত এই প্ৰকল্পৰ পৰা পাব পৰা লাভসমূহৰ বিষয়ে ব্যাখ্যা কৰে আৰু কয় যে এই প্ৰকল্পই বিদ্যুৎ শক্তিৰ মানদণ্ড উন্নত কৰাৰ উপৰি এই ৰাজ্যত নিৰৱচ্ছিন্ন বিদ্যুৎ যোগানতো সহায় কৰিব পাৰিব। তেওঁ এই কথাও প্ৰকাশ কৰে যে এ ই জি চি এল আৰু এ পি ডি চি এলে পৰিৱেশ সংৰক্ষণৰ গুৰুত্ব অনুধাৱন কৰিছে আৰু সেয়েহে বহনক্ষম উন্নয়ণ আৰু আৰু পৰিৰেশৰ সুৰক্ষাৰ মাজত সমতা ৰাখিবৰ বাবে আন্তৰিক প্ৰচেষ্টা চলাইছে। শ্ৰী দাসে এই কথা উনুকিয়াই দিয়ে যে প্ৰস্তাৱিত বিনিয়োগৰ জৰিয়তে শক্তি-প্ৰণালীৰ সামৰ্থ্য আৰু বিশ্বাসযোগ্যতা বৃদ্ধি কৰিব পৰা যাব, বিভৱভেদ উন্নত হ'ব, বিদ্যুৎ ক্ষতি কমিব আৰু শেষপৰ্য্যন্ত সকলো শ্ৰেণীৰ গ্ৰাহকৰ সন্তুষ্টি বঢ়াব পৰা যাব। এই ফলাফলবোৰে ৰাজ্যখনৰ বিকাশ আৰু উন্নয়ণতো বৰঙণি যোগাব বুলিও তেওঁ মত প্ৰকাশ কৰে। শ্ৰী দাসে প্ৰকল্পটোৰ মুখ্য দিশসমূহৰ সম্পৰ্কত আলোকপাত কৰে আৰু লগতে ই এছ পি পি এফৰ বিকাশৰ প্ৰয়োজনীয়তাৰ বিষয়ে উলেখ কৰে।




ইয়াৰ পাছত কাৰিকৰী কাৰ্য্যক্ৰম আৰম্ভ হয় আৰু প্ৰথমেই পাৱাৰগ্ৰিডৰ পৰিবেশ আৰু সামাজিক ব্যৱস্থাপনা বিভাগৰ অতিৰিক্ত মহাপ্ৰবন্ধক  ডঃ আৰ কে শ্ৰীবাস্তৱে এক প্ৰদৰ্শনৰ জৰিয়তে তেওঁৰ বক্তব্য দাঙি ধৰে। তেওঁ ই এছ পি পি এফৰ মূল লক্ষ্য, টি এণ্ড ডি প্ৰকল্পৰ লগত সম্পৰ্কিত মূল পাৰিবেশিক আৰু সামাজিক সমস্যাসমূহ আৰু কেনেকৈ প্ৰকল্প-চক্ৰত সঠিক ব্যৱস্থাপনাৰ জৰিয়তে সেই সমস্যাবোৰ কমাব পৰা যায়, সেই বিষয়ে বহলাই কয়।  ডঃ শ্ৰীবাস্তৱে ই এছ পি পি এফত সংযোজন কৰা পাৰিবেশিক, স্বাস্থ্য আৰু নিৰাপত্তা ব্যৱস্থাসমূহৰ বিষয়ে সবিশেষ ব্যাখ্যা কৰে আৰু বিশেষকৈ ৰাজ্যখনৰ পাৰিবেশিক আৰু সামাজিকভাবে সংবেদী অঞ্চলসমূহত সেই ব্যৱস্থা গ্ৰহণৰ তাত্পৰ্য্য ব্যাখ্যা কৰে। মূল নথিখনত সন্নিবিষ্ট ব্যৱস্থাসমূহৰ বিষয়েও তেওঁ জানিবলৈ দিয়ে। ডঃ শ্ৰীবাস্তৱে এই প্ৰদৰ্শনটোৰ যোগেদি ই এছ পি পি এফৰ ৰূপায়ণৰ বাবে প্ৰাতিষ্ঠানিক সহায়-সমৰ্থন, অভিযোগ নিষ্পতিকৰণ পদ্ধতি (GRM), এই প্ৰকল্পৰ সফলতাৰ জৰিয়তে সামৰ্থ্য বিকাশৰ পৰিকল্পনাৰ বিষয়েও অবগত কৰে।



এই প্ৰদৰ্শনৰ পাছত সভাপতিয়ে অংশগ্ৰহণকাৰীসকলক তেওঁলোকৰ মতামত / পৰামৰ্শ আদি দাঙি ধৰিবৰ বাবে আহ্বান জনায়। সেই মতামত / পৰামৰ্শবোৰৰ মূল সাৰাংশ আছিল এনে ধৰণৰঃ।

প্ৰকল্পৰ দ্বাৰা প্ৰভাবিত হ'ব পৰা এজন ব্যক্তি, নতুন নগৰৰ শ্ৰী অশ্বিনী কুমাৰ চৌধুৰীয়ে কয় যে প্ৰবহন লাইনৰ নিৰ্মাণকাৰ্য্য মানবিশিষ্ট নহয় আৰু সেই বাবে প্ৰবহন টাৱাৰবোৰ মাজে মাজে ভাঙি পৰি মানুহৰ ঘৰ-দুৱাৰ ধ্বংস কৰে আৰু ফলত দুখীয়া স্থানীয় লোকসকলে সমস্যাত ভুগিবলগীয়া হয়। তেওঁ নিৰ্মাণৰ সময়ত মানবিশিষ্ট নিৰ্মাণ সুনিশ্চিত কৰাৰ প্ৰয়োজনীয়তাৰ কথা



উল্লেখ কৰি এই সম্পৰ্কত চকু দিবলৈ অনুৰোধ জনায়। পাৱাৰগ্ৰিডৰ মহাপ্ৰবন্ধক শ্ৰী এ কে শ্ৰীবাস্তৱে তেওঁক নিশ্চয়তা দি কয় যে নিৰ্মাণৰ মানদণ্ড ৰক্ষা কৰাটো  সঁচাকৈয়ে বৰ দৰকাৰী কথা আৰু NERPSIP য়ে এই বিষয়টো যথেষ্ট গুৰুত্বসহকাৰে লৈ নিৰ্মাণৰ কাম তীক্ষ্ণভাবে নিৰীক্ষণ কৰিব আৰু সঠিক মানদণ্ড ৰক্ষা কৰাটো সুনিশ্চিত কৰিব।

অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ সহকাৰী অভিযন্তা শ্ৰী এছ কে কাকতি আৰু সহকাৰী কাৰ্য্যবাহী অভিযন্তা শ্ৰী পি কে দত্তই এই প্ৰশ্ন তোলে যে অপকাৰী আৰু প্ৰদূষিত আবৰ্জনাবোৰৰ ব্যৱস্থাপনাৰ ক্ষেত্ৰত কি ব্যৱস্থা লোৱা যাব? তেওঁলোকে জনায় যে ব্যৱহৃত ট্ৰেন্সফৰ্মাৰ তেলক প্ৰদূষিত আবৰ্জনা হিচাপে গণ্য কৰা হয় আৰু সেইবাবে তাৰ 'ৰিটাৰ্ণ' বা ব্যৱহাৰৰ খতিয়ান জমা দিয়াটো বাধ্যতামূলক। তেওঁলোকে আৰু কয় যে ব্যৱহৃত বেটাৰীৰ ক্ষেত্ৰতো তেনে 'ৰিটাৰ্ণ' দাখিল কৰিব লাগে। এ ই জি চি এল আৰু এ পি ডি চি এলৰ বিষয়াসকলে অৱগত কৰে যে ট্ৰেন্সফৰ্মাৰ তেল প্ৰায় ১৫ বছৰৰ পাছতহে সলনি কৰা হয় আৰু ব্যৱহৃত ট্ৰেন্সফৰ্মাৰ তেল পঞ্জীভুক্ত পুনঃচক্ৰকাৰী প্ৰতিষ্ঠানৰ জৰিয়তে পুনঃচক্ৰকৰণ কৰা হয়। প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ প্ৰতিনিধিদ্বয়ে ই-আবৰ্জনা ব্যৱস্থাপনাৰ নিয়ম-নীতিসমূহৰ বিষয়েও উল্লেখ কৰে। পি জি চি চি এলৰ প্ৰতিনিধিয়ে এই সম্পৰ্কত  উনুকিয়াই দিয়ে যে নিয়ম অনুসৰি ই-আবৰ্জনাৰ 'ৰিটাৰ্ণ' জমা দিয়াৰ প্ৰয়োজন নাই আৰু মুখ্য ব্যৱহাৰকাৰী হিচাপে যি কোনো শক্তি প্ৰতিষ্ঠানে ই-আবৰ্জনাৰ 'ইনভেন্টৰী' সঠিকভাবে ৰাখিলেই হ'ল।



এ ই জি চি এলৰ সহকাৰী মহাপ্ৰবন্ধক শ্ৰী সুদীপ্ত গোস্বামীয়ে উচ্চ বিভৱভেদৰ প্ৰবহন লাইনৰ স্বাস্থ্য আৰু সুৰক্ষাজনিত প্ৰভাৱসমূহৰ প্ৰসংগ উত্থাপন কৰে আৰু এনে প্ৰবহন লাইনৰ বাবে তেনে স্থানত কি কি কাম কৰাত বাধা-নিষেধ আৰোপ কৰা হৈছে - সেই কথা জানিব বিচাৰে। এই সম্পৰ্কত পেনেলে পুনৰ আশ্বাস দিয়ে যে এনে লাইনৰ বাবে কৃষি আৰু আন কামবোৰত বাধা দিয়া নহ'ব, কিন্তু বিদ্যুৎ পৰিবাহী তাৰৰ সুৰক্ষাৰ বাবে তেনে তাৰৰ তলত ওখ গছ ৰুবলৈ অনুমতি দিয়া নহ'ব।

এ পি ডি চি এলৰ উপ মহাপ্ৰবন্ধক ৰুণিমা ৰহমানৰ শলাগৰ শৰাইৰে এই আলোচনা-চক্ৰখনৰ সামৰণি পৰে। শ্ৰীমতী ৰহমানে সকলো অংশগ্ৰহণকাৰীকে তেওঁলোকৰ অংশগ্ৰহণ, আলোচনা, মতামত আৰু পৰামৰ্শৰ বাবে ধন্যবাদ জনায় আৰু সকলোকে আশ্বাস দি কয় যে এই প্ৰকল্প ৰূপায়ণৰ বিভিন্ন পৰ্য্যায়ত সম্পৰ্কিত  ব্যক্তি / সংস্থাৰ লগত যোগাযোগ আৰু আলোচনা অব্যাহত থাকিব।




*****